DAILY ASSAM



ষষ্ঠ অধ্যায়

# ন্যায়পালিকা
# (JUDICIARY)

## পৰিচয়

বৰ্তমান সময়ত চৰকাৰৰ এক প্ৰধান আৰু গুৰুত্বপূৰ্ণ অংগ হল ন্যায়পালিকা। ভাৰতীয় সংবিধানে স্বাধীন ভাৰতৰ বাবে এক ক্ষমতাশালী ন্যায়পালিকা গঠনৰ ব্যৱস্থা কৰিছে। ভাৰতৰ ন্যায়িক ব্যৱস্থাৰ শীৰ্ষত উচ্চতম ন্যায়ালয় অৱস্থিত। বিশ্বৰ শক্তিশালী ন্যায়ালয়সমূহৰ ভিতৰত ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ স্থান আছে। ১৯৫০ চনৰ পৰাই উচ্চতম ন্যায়ালয়ে ভাৰতীয় সংবিধানৰ ব্যাখ্যাকৰ্তা আৰু অভিভাৱকৰ ভূমিকা পালন কৰি আহিছে। এইটো অধ্যায়ত আমি ভাৰতৰ শাসন ব্যৱস্থাত ন্যায়াপালিকাৰ ভূমিকা সম্পৰ্কে আলোচনা কৰিম। আধ্যায়টো পঢ়ি তলত উল্লেখিত বিষয়বোৰ জানিব পাৰিবা।

- ন্যায়পালিকাৰ স্বাধীনতাৰ অৰ্থ;
- নাগৰিকৰ অধিকাৰ ৰক্ষণাবেক্ষণত ভাৰতীয় ন্যায়পালিকাৰ ভূমিকা;
- সংবিধানৰ ব্যাখ্যাকাৰক হিচাপে ন্যায়পালিকাৰ ভূমিকা; আৰু
- ভাৰতৰ সংসদ আৰু ন্যায়পালিকাৰ মাজৰ সম্পৰ্ক।


DAILY ASSAM



## স্বাধীন ন্যায়পালিকাৰ প্ৰয়োজনীয়তা কি ? (Why do we need an Independent Judiciary?)

যিকোনো সমাজত ব্যক্তিৰ মাজত, ব্যাক্তি আৰু সমষ্টিৰ মাজত আৰু ব্যক্তি বা সমষ্টি আৰু চৰকাৰৰ মাজত বিবাদ হোৱাটো নিশ্চিত। এই বিবাদবোৰ এক স্বাধীন অনুষ্ঠানে আইনৰ শাসনৰ নীতিৰ ভিত্তিত নিষ্পত্তি কৰা প্ৰয়োজন। আইনৰ শাসনৰ ধাৰণা অনুসৰি সমাজৰ সকলো ব্যক্তি ধনী-দুখীয়া, পুৰুষ-মহিলা, উচ্চ-নীচ নিৰ্বিশেষে-একে আইনৰ অধীন। ন্যায়পালিকাৰ প্ৰধান দায়িত্ব হল আইনৰ শাসনৰ ৰক্ষণাবেক্ষণ দিয়া আৰু আইনৰ সৰ্বোচ্চতা নিশ্চিত কৰা। ন্যায়পালিকাই ব্যক্তিৰ অধিকাৰ সুৰক্ষা কৰে আৰু আইন অনুসৰি বিবাদ নিষ্পত্তি কৰে। গণতন্ত্ৰৰ নামত কোনোব্যক্তি বা দলৰ আধিপত্য যাতে প্ৰতিষ্ঠা নহয়, তাৰ প্ৰতিও ন্যায়পালিকাই সতৰ্ক দৃষ্টি ৰাখে। এইধৰণৰ গুৰুত্বপূৰ্ণ দায়িত্ব সুকলমে পালন কৰিবলৈ হলে ন্যায়পালিকা যিকোনো ধৰণৰ ৰাজনৈতিক প্ৰভাৱৰ পৰা মুক্ত আৰু স্বতন্ত্ৰ হোৱাটো নিতান্তই প্ৰয়োজন।

**ব্যঙ্গ চিত্ৰখন পঢ়া**




. . . as an eminent lawyer you ought to know that your action is tantamount to, under section 8, Sub section G (1N) read along with I.P.C. (A) XI (B) notwithstanding. . .

R K Laxman in The Times of India.

**সংবিধানৰ মূল গাঁথনিৰ বিষয়বোৰ ন্যায়পালিকাই এবাৰতে কিয় ঘোষণা কৰিব নোৱাৰে?**

**স্বাধীন ন্যায়পালিকাৰ অৰ্থ কি? ন্যায়পালিকাৰ স্বাধীনতা কিদৰে নিশ্চিত কৰা হয়?**

## ন্যায়পালিকাৰ স্বাধীনতা (Independence of Judiciary)

সহজ অৰ্থত ন্যায়পালিকাৰ স্বাধীনতাৰ অৰ্থ হ'ল ঃ

- চৰকাৰৰ অন্যান্য অংগ যেনে কাৰ্যপালিকা আৰু বিধানমণ্ডলে ন্যায়পালিকাৰ কামত এনে কোনো সীমাবদ্ধতা আৰোপ কৰিব নালাগে যাৰ ফলত ন্যায়পালিকাই ন্যায় প্ৰদানত অসমৰ্থ হয়।
- চৰকাৰৰ অন্যান্য অংগই ন্যায়পালিকাৰ সিদ্ধান্তত হস্তক্ষেপ কৰা উচিত নহয়।

DAILY ASSAM



- শংকামুক্ত আৰু নিৰপেক্ষভাৱে ন্যায়াধীশসকলে নিজৰ দায়িত্ব পালন কৰিব পৰা হব লাগে।

ন্যায়পালিকাৰ স্বাধীনতাই স্বেচ্ছাচাৰিতা নাইবা দায়িত্বহীনতাক নুবুজায়। ন্যায়পালিকা গণতান্ত্রিক ৰাজনৈতিক গাঁথনিৰ এক অভিন্ন অংগ। সেইবাবেই ৰাষ্ট্রৰ সংবিধান, গণতান্ত্রিক পৰম্পৰা আৰু জনসাধাৰণৰ প্রতি ন্যায়পালিকাৰ দায়বদ্ধতা আছে।



ন্যায়দানত পলম হোৱা মানে ন্যায়ৰ পৰা বঞ্চিত হোৱা নুবুযায়নে? এই সম্পৰ্কে গভীৰ চিন্তা কৰা প্ৰয়োজন।

ন্যায়পালিকাৰ স্বাধীনতা কেনেকৈ সুৰক্ষিত কৰিব পাৰি? ভাৰতীয় সংবিধানে ন্যায়পালিকাৰ স্বাধীনতা সুৰক্ষিত কৰিবলৈ কিছুমান ব্যৱস্থা গ্ৰহণ কৰিছে। ন্যায়াধীশসকলৰ নিযুক্তি প্রক্রিয়াত বিধানমণ্ডল জড়িত নহয়। ন্যায়াধীশৰ নিযুক্তি প্রক্রিয়াত দলীয় ৰাজনীতিৰ কোনো প্রভাৱ নাই বুলি বিশ্বাস কৰা হয়। ন্যায়াধীশৰ নিযুক্তিৰ ক্ষেত্ৰত সংবিধানে কিছুমান মানদণ্ড নির্ধাৰণ কৰিছে। অভিজ্ঞ, মেধাৱী আৰু বিশিষ্ট আইনজ্ঞ ব্যক্তিকহে ন্যায়াধীশ পদত নিযুক্তিৰ ব্যৱস্থা কৰা হৈছে। ন্যায়াধীশৰ নিযুক্তিত দলীয় বিবেচনা, দলীয় আনুগত্য আৰু ৰাজনৈতিক মতামতক স্থান দিয়া হোৱা নাই।

ন্যায়াধীশসকলৰ এক নির্ধাৰিত কাৰ্য্যকাল থাকে। অৱসৰৰ নির্দিষ্ট বয়স নোহোৱালৈকে তেওঁলোকে ন্যায়াধীশ পদত অধিষ্ঠিত থাকে। কিছুমান বিশেষ কাৰণতহে ন্যায়াধীশ এজনক পদৰ পৰা অপসাৰণ কৰিব পাৰি। অন্যথা তেওঁলোকৰ কাৰ্য্যকালৰ নিৰাপত্তা থাকে। সেইবাবে ন্যায়াধীশসকলে নির্ভয়ে আৰু নিৰপেক্ষভাবে কর্তব্য পালন কৰিব পাৰে। সংবিধানে ন্যায়াধীশসকলৰ অপসাৰণৰ বাবে এক কঠিন পদ্ধতি গ্ৰহণ কৰিছে। অপসাৰণৰ এক কঠিন পদ্ধতি অৱলম্বণ কৰিলেহে ন্যায়াধীশ পদৰ নিৰাপত্তা নিশ্চিত হ'ব বুলি সংবিধান প্রণেতাসকলে বিশ্বাস কৰিছিল।

ন্যায়পালিকা বিত্তীয় ক্ষেত্ৰত কার্যপালিকা নাইবা বিধানমণ্ডলৰ ওচৰত নির্ভৰশীল নহয়। অর্থাৎ ন্যায়াধীশৰ দৰমহা আৰু অন্যান্য ভাট্টাসমূহ বিধানমণ্ডলৰ অনুমোদন সাপেক্ষে নহয়। ন্যায়াধীশসকলৰ কাৰ্য্য আৰু সিদ্ধান্ত ব্যক্তিগত সমালোচনাৰ উৰ্দ্ধত। আদালতক অসন্মান

DAILY ASSAM



বা অবমাননাৰ অপৰাধত কোনো ব্যক্তিক শাস্তি বিহিব পৰা ক্ষমতা ন্যায়পালিকাৰ আছে। আদালতৰ এইধৰণৰ কর্তৃত্বই ন্যায়াধীশসকলক অনুচিত সমালোচনাৰ পৰা ৰক্ষা কৰে। ন্যায়াধীশ এজনৰ অপসাৰণ প্রক্রিয়া চলি থকা সময়ৰ বাহিৰে আন সময়ত বিধানমণ্ডলে ন্যায়াধীশৰ আচৰণ সম্পর্কে আলোচনা কৰিব নোৱাৰে। এইদৰে সংবিধানে ন্যায়পালিকাৰ স্বাধীনতা নিশ্চিত কৰিছে। ইয়াৰ ফলত ন্যায়পালিকাই সমালোচনাৰ পৰা মুক্ত হৈ বিচাৰ কার্য্য সম্পাদন কৰিব পাৰিছে।



***কার্য্যাৱলী***

তলত উল্লেখ কৰা বিষয়ত এখন তর্ক প্রতিযোগিতা অনুষ্ঠিত কৰা।

তলৰ কোনবোৰ কাৰকে ন্যায়াধীশসকলৰ ৰায় প্রদানত বাধা আৰোপ কৰিব পাৰে বুলি তুমি ভাবা? এই কাৰকবোৰ ন্যায়সংগত হয়নে?

- সংবিধান।
- পুর্ব দৃষ্টান্ত।
- অন্যান্য আদালতৰ মতামত।
- জনমত।
- গণমাধ্যম।
- পৰম্পৰা।
- আইন।
- সময় আৰু কর্মচাৰীৰ সীমাবদ্ধতা।
- কার্যপালিকাৰ ভয়।

## ন্যায়াধীশৰ নিযুক্তি (Appointment of Judges)

ন্যায়াধীশৰ নিযুক্তি ৰাজনৈতিক বিতর্কৰ পৰা মুক্ত নহয়। ই ৰাজনৈতিক প্রক্রিয়াৰ এক অংশ। ন্যায়পালিকাৰ নিযুক্তিৰ সিদ্ধান্ত দুটা কাৰকৰ দ্বাৰা প্রভাৱিত হব পাৰে। প্রথমতে, উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ৰ কর্মৰত ন্যায়াধীশসকলৰ মনোভাৱ আৰু ব্যক্তিত্ব। দ্বিতীয়তে, সংবিধানখন কিদৰে ব্যাখ্যা কৰা হয়। ন্যায়ধীশৰ নিযুক্তি এই কাৰক দুটাৰ ভিন্নতাৰ ওপৰত নির্ভৰ কৰে। এক সক্রিয় আৰু দৃঢ় নাইবা নিয়ন্ত্রিত আৰু অংগীকাৰবদ্ধ ন্যায়পালিকা সম্পর্কে ন্যায়াধীশসকলৰ দৃষ্টিভংগী আৰু ৰাজনৈতিক দর্শনে এখন বিধেয়কৰ ভাগ্য নির্ণয় কৰে। মন্ত্রীসভা, ৰাজ্যপাল, মুখ্যমন্ত্রী

DAILY ASSAM



আৰু উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ— এই সকলোৱে ন্যায়পালিকাৰ নিযুক্তি প্ৰক্ৰিয়াত প্ৰভাৱ খটুৱায়।

ভাৰতৰ মুখ্য ন্যায়াধীশৰ নিযুক্তিৰ ক্ষেত্ৰত এটা নিৰ্দিষ্ট পৰম্পৰা গঢ়ি উঠিছে। এই পৰম্পৰা অনুসৰি উচ্চতম ন্যায়ালয়ৰ জেষ্ঠ্যতম ন্যায়াধীশজনক ৰাষ্ট্ৰপতিয়ে মুখ্য ন্যায়াধীশৰূপে নিয়োগ কৰে। অৱশ্যে, এই পৰম্পৰা দুবাৰ ভংগ কৰা হৈছিল। ১৯৭৩ চনত ৰাষ্ট্ৰপতিয়ে তিনিজন জ্যেষ্ঠ ন্যায়াধীশক অতিক্ৰম কৰি কনিষ্ঠ ন্যায়াধীশ এ, এন, ৰায়ক মুখ্য ন্যায়াধীশ পদত নিয়োগ কৰিছিল। আকৌ ১৯৭৫ চনত জ্যেষ্ঠ ন্যায়াধীশ এইচ, আৰ, খান্নাক নিযুক্তি নিদি, ন্যায়াধীশ এম, এইচ, বেগক মুখ্য ন্যায়াধীশ পদত নিয়োগ কৰিছিল।



*মোৰ ভয় আৰু খেলিমেলি লাগিছে। গণতন্ত্ৰত প্ৰধানমন্ত্ৰী, আনকি ৰাষ্ট্ৰপতিকো সমালোচনা কৰিব পাৰি; কিন্তু ন্যায়াধীশ-সকলক সমালোচনা কৰিব নোৱাৰি। আদালত অৱমাননা মানে কি? এই বিষয়ে প্ৰশ্ন কৰিলে, আদালত অৱমাননাৰ দোষত মই দোষী হম নেকি?*

উচ্চতম ন্যায়ালয়ৰ আৰু উচ্চ ন্যায়ালয়ৰ আন আন ন্যায়াধীশসকলক ৰাষ্ট্ৰপতিয়ে মুখ্য ন্যায়াধীশৰ সৈতে আলোচনা কৰি নিযুক্তি দিয়ে। প্ৰকৃততে ন্যায়াধীশ নিযুক্তিৰ চূড়ান্ত সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা মন্ত্ৰীসভাৰ হাতত ন্যস্ত হৈ আছে। গতিকে, মুখ্য ন্যায়াধীশৰ লগত আলোচনা কৰাৰ কিবা মূল্য আছেনে?

১৯৮২ চনৰ পৰা ১৯৯৮ চনৰ মাজত ন্যায়াধীশৰ নিযুক্তি সম্পৰ্কে উচ্চতম ন্যায়ালয়ত বহুবাৰ আলোচনা হৈছিল। আৰম্ভনিতে, মুখ্য ন্যায়াধীশৰ ভূমিকা কেৱল পৰামৰ্শমূলক বুলি ন্যায়ালয়ে অনুভৱ কৰিছিল। কিন্তু পিছলৈ মুখ্য ন্যায়াধীশৰ মতামত ৰাষ্ট্ৰপতিয়ে গ্ৰহণ কৰাটো বাধ্যতামূলক বুলি মত পোষণ কৰিছিল। শেষত ন্যায়াধীশ নিযুক্তিৰ এক নতুন পদ্ধতি গ্ৰহণৰ সিদ্ধান্ত লোৱা হয়। এই সিদ্ধান্ত অনুসৰি উচ্চতম ন্যায়ালয়ে পৰামৰ্শ দিয়ে যে মুখ্য ন্যায়াধীশে চাৰিজন জ্যেষ্ঠ ন্যায়াধীশৰ লগত আলোচনা কৰি ন্যায়াধীশৰ নাম নিযুক্তিৰ বাবে মনোনীত কৰিব। এইদৰে উচ্চতম ন্যায়ালয়ে ন্যায়াধীশ নিযুক্তিৰ নাম মনোনয়নৰ এক সামূহিক মানদণ্ডৰ নীতি প্ৰতিষ্ঠা কৰিছে। সেয়েহে বৰ্তমান সময়ত ন্যায়াধীশৰ নিযুক্তিত উচ্চতম ন্যায়ালয়ৰ জ্যেষ্ঠ চাৰিজন ন্যায়াধীশৰ সিদ্ধান্তই অধিক গুৰুত্ব পায়। এইদৰে দেখা যায় যে



*কিন্তু মই ভাবোঁ, ন্যায়াধীশসকলক নিযুক্তি দিয়াত চূড়ান্তভাৱে মন্ত্ৰী পৰিষদৰ বহুত ক্ষমতা আছে। অথবা এইটো নেকি যে ন্যায়পালিকাই নিজে নিযুক্তি দিব পৰা এটা অংগ?*

ন্যায়পালিকাৰ নিযুক্তি প্ৰক্ৰিয়াত উচ্চতম ন্যায়ালয় আৰু মন্ত্ৰীসভাই উল্লেখযোগ্য ভূমিকা পালন কৰে।

## ন্যায়াধীশৰ অপসাৰণ (Removel of Judges)

উচ্চতম ন্যায়ালয়ৰ আৰু উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ অপসাৰণ প্ৰক্ৰিয়া বৰ জটিল। উচ্চতম ন্যায়ালয়ৰ আৰু উচ্চ ন্যায়ালয়ৰ এজন ন্যায়াধীশক প্ৰমাণিত অসদাচৰণ নাইবা অসামৰ্থতাৰ অভিযোগতহে অপসাৰণ কৰিব পাৰি। ন্যায়াধীশ এজনৰ বিৰুদ্ধে অভিযোগৰ প্ৰস্তাৱ সংসদৰ উভয় সদনত বিশেষ সংখ্যাগৰিষ্ঠ ভোটত অনুমোদিত হব লাগে। বিশেষ সংখ্যাগৰিষ্ঠতা মানে কি? তোমালোকৰ মনত আছেনে? এই বিষয়ে আমি 'নিৰ্বাচন' অধ্যায়টোত ইতিমধ্যে আলোচনা কৰিছো। সংবিধানত ন্যায়াধীশ অপসাৰণৰ এক কঠিন পদ্ধতি গ্ৰহণ কৰা হৈছে। সংসদৰ সদস্যসকলৰ মাজত এক সাধাৰণ ঐক্যমত (Consensus) অবিহনে এজন ন্যায়াধীশক অপসাৰণ কৰিব নোৱাৰি। এইটো উল্লেখনীয় যে যিদৰে কাৰ্য্যপালিকাই ন্যায়াধীশ নিযুক্তিৰ ক্ষেত্ৰত এক নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰে, সেইদৰে সংসদে ন্যায়াধীশৰ অপসাৰণত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰে। ইয়ে ক্ষমতাৰ ভাৰসাম্য আৰু ন্যায়পালিকাৰ স্বাধীনতা প্ৰতিষ্ঠা কৰিছে। এতিয়ালৈকে, সংসদত মাত্ৰ এবাৰহে ন্যায়াধীশৰ অপসাৰণৰ প্ৰস্তাৱ উত্থাপন হৈছে। যদিও, এই প্ৰস্তাৱে দুই-তৃতীয়াংশ সংখ্যাগৰিষ্ঠ সমৰ্থন লাভ কৰিছিল, সংসদৰ মুঠ সদস্যৰ সংখ্যাগৰিষ্ঠ সমৰ্থন পোৱা নাছিল। সেইবাবে ন্যায়াধীশজনক অপসাৰণ কৰিব পৰা নাছিল।

### ন্যায়াধীশ অপসাৰণৰ ব্যৰ্থ চেষ্টা (Unsuccesful Attempt to Remove a Judge)

১৯৯১ চনত প্ৰথমবাৰৰ বাবে উচ্চতম ন্যায়ালয়ৰ এজন ন্যায়াধীশক অপসাৰণৰ প্ৰস্তাৱ লোৱা হৈছিল। এই প্ৰস্তাৱত সংসদৰ ১০৮ জন সদস্যই চহী কৰিছিল। পঞ্জাৱ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ পদত কাৰ্য্যনিৰ্বাহ কৰি থকা সময়ত, ন্যায়াধীশ ভি, ৰামস্বামীয়ে চৰকাৰী ধনৰ অপব্যৱহাৰ কৰা বুলি প্ৰস্তাৱটোত অভিযোগ কৰা হৈছিল। ১৯৯২ চনত সংসদত ন্যায়াধীশজনৰ বিৰুদ্ধে মহাভিযোগৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। এখন উচ্চপৰ্য্যায়ৰ তদন্ত আয়োগ গঠন কৰি প্ৰস্তাৱিত অভিযোগৰ অনুসন্ধানৰ দায়িত্ব দিয়া হৈছিল। ন্যায়াধীশ ভি,

DAILY ASSAM





ৰামস্বামীয়ে ইচ্ছাকৃতভাৱে চৰকাৰী পদৰ অপব্যৱহাৰ কৰি চৰকাৰী ধন ব্যক্তিগত লাভৰ বাবে আত্মসাৎ কৰা বুলি আয়োগে প্ৰতিবেদন দাখিল কৰিছিল। ন্যায়াধীশজনৰ এই কাৰ্য্যক গভীৰ নৈতিক পতন আৰু বিধিগত নিয়মৰ সীমাহীন উলংঘন বুলি আয়োগে অভিহিত কৰিছিল। এইদৰে শক্তিশালীভাৱে অভিযুক্ত কৰা স্বত্তেও ৰামস্বামীৰ অপসাৰণৰ প্ৰস্তাৱ সংসদত অনুমোদিত নহ'ল। প্ৰস্তাৱটোৱে সদনত উপস্থাপিত আৰু ভোট প্ৰদান কৰা সদস্যৰ দুই-তৃতীয়াংশ ভোটৰ সমৰ্থন লাভ কৰিছিল। কিন্তু কংগ্ৰেছ দলৰ সদস্যসকল সদনত অনুপস্থিত আছিল। সেইবাবে প্ৰস্তাৱটোৱে সদনৰ মুঠ সদস্যৰ আধাসংখ্যক সদস্যৰ সমৰ্থন লাভ কৰিব পৰা নাছিল।

**তোমাৰ প্ৰগতিৰ পৰীক্ষা কৰা**

- ন্যায়পালিকাৰ স্বাধীনতা কিয় গুৰুত্বপূৰ্ণ?
- কাৰ্য্যপালিকাৰ ন্যায়াধীশ নিযুক্তিৰ ক্ষমতা থকা উচিত বুলি তুমি ভাবানে?
- ন্যায়াধীশ নিযুক্তি প্ৰক্ৰিয়াৰ পৰিবৰ্তনৰ বাবে যদি তোমাৰ মতামত বিচৰা হয়, তুমি কি কি পৰামৰ্শ আগবঢ়াবা?

## ন্যায়পালিকাৰ গাঁথনি (Structure of the Judiciary)

ভাৰতীয় সংবিধানে সমগ্ৰ ভাৰতৰ বাবে এখন একত্ৰিত ন্যায়পালিকা গঠনৰ ব্যৱস্থা কৰিছে। সমগ্ৰ ভাৰতৰ বিচাৰ ব্যৱস্থা উচ্চতম ন্যায়ালয়ৰ নিয়ন্ত্ৰণাধীন। অন্যান্য যুক্তৰাষ্ট্ৰীয় দেশৰ দৰে ভাৰতৰ অংগ ৰাজ্যসমূহৰ বাবে সুকীয়া আৰু স্বতন্ত্ৰ ন্যায়পালিকাৰ ব্যৱস্থা সংবিধানত নাই। ভাৰতৰ ন্যায়পালিকাৰ গাঁথনি এটা পিৰামিডৰ নিচিনা। ভাৰতৰ ন্যায়িক ব্যৱস্থা এককেন্দ্ৰিক। এই কেন্দ্ৰীভূত ন্যায়িক ব্যৱস্থাৰ শীৰ্ষত আছে উচ্চতম ন্যায়ালয়। উচ্চতম ন্যায়ালয়ৰ অধীনত আছে উচ্চ ন্যায়ালয়। উচ্চ ন্যায়ালয়ৰ অধীনত আছে জিলা আদালত আৰু অন্যান্য নিম্ন আদালতবোৰ। (তলৰ চিত্ৰ চোঁৱা) নিম্ন আদালতবোৰে উচ্চ আদালতৰ প্ৰত্যক্ষ তত্বাৱধানত কাম কৰে।

DAILY ASSAM



**ভাৰতৰ উচ্চতম ন্যায়ালয় (Supreme Court of India)**

- ইয়াৰ সিদ্ধান্ত সকলো আদালতে মানি চলাটো বাধ্যতামূলক।
- উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ বদলি কৰিব পাৰে।
- যিকোনো আদালতত চলি থকা গোচৰ বিচাৰৰ বাবে নিজৰ হাতলৈ আনিব পাৰে।
- এখন উচ্চ ন্যায়ালয়ৰ পৰা আন এখন উচ্চ ন্যায়ালয়লৈ গোচৰ বদলি কৰিব পাৰে।

**উচ্চ ন্যায়ালয় (High Court)**

- নিম্ন আদালতৰ পৰা আপীল শুনানি গ্ৰহণ কৰিব পাৰে।
- মৌলিক অধিকাৰ সুৰক্ষাৰ বাবে 'লেখ' জাৰি কৰিব পাৰে।
- এখন ৰাজ্যৰ অধিকাৰ ক্ষেত্ৰৰ অৰ্ন্তভূক্তবিষয়ৰ গোচৰ বিচাৰ কৰিব পাৰে।
- ইয়াৰ অধীনস্ত আদালতসমূহ পৰিদৰ্শন আৰু নিয়ন্ত্ৰণ কৰিব পাৰে।

**জিলা আদালত (District Court)**

- এখন জিলাৰ পৰিসীমাৰ ভিতৰৰ গোচৰ বিচাৰ কৰে।
- নিম্ন আদালতৰ ৰায়ৰ বিৰুদ্ধে আপীল শুনানি গ্ৰহণ কৰে।
- গুৰুতৰ ফৌজদাৰী অপৰাধৰ গোচৰ বিচাৰ কৰে।

**নিম্ন আদালত বা অধঃস্তন আদালত (Subordinate Court)**


- দেৱানী আৰু ফৌজদাৰী গোচৰৰ বিচাৰ কৰে।

**উচ্চতম ন্যায়ালয়ৰ অধিকাৰ ক্ষেত্ৰ** (Jurisdiction of Supreme Court)

বিশ্বৰ শক্তিশালী ন্যায়ালয়সমূহৰ ভিতৰত ভাৰতৰ উচ্চতম ন্যায়ালয় অন্যতম। অৱশ্যে, উচ্চতম ন্যায়ালয়ে সংবিধানে বান্ধি দিয়া সীমাৰ ভিতৰত থাকি কাৰ্য্য সম্পাদন কৰে। উচ্চতম ন্যায়ালয়ৰ ক্ষমতা আৰু দায়িত্ব সংবিধানে স্পষ্টভাৱে নিৰ্দ্ধাৰণ কৰি দিছে। উচ্চতম ন্যায়ালয়ৰ কিছুমান বিশেষ অধিকাৰ ক্ষেত্ৰ বা ক্ষমতা আছে।

DAILY ASSAM






### মৌলিক অধিকাৰ ক্ষেত্ৰ বা ক্ষমতা (Original Jurisdiction)

মৌলিক ক্ষমতা বা অধিকাৰ ক্ষেত্ৰ মানে, উচ্চতম ন্যায়ালয়ে কিছুমান গোচৰ পোনপটীয়াকৈ বিচাৰ কৰিব পাৰে। ওপৰত উল্লেখ কৰা চিত্ৰ অনুসৰি যুক্তৰাষ্ট্ৰীয় সম্পৰ্কৰ সৈতে জড়িত গোচৰসমূহ উচ্চতম ন্যায়ালয়ৰ মৌলিক ক্ষমতাৰ অৰ্ন্তভূক্ত। এই ক্ষমতাৰ জৰিয়তে উচ্চতম ন্যায়ালয়ে এজন আম্পায়াৰৰ ভূমিকা পালন কৰি

DAILY ASSAM



যুক্তৰাষ্ট্ৰীয় বিবাদবোৰ সমাধান কৰে। যিকোনো যুক্তৰাষ্ট্ৰীয় শাসন ব্যৱস্থাত কেন্দ্ৰীয় চৰকাৰ আৰু এক বা একাধিক ৰাজ্য চৰকাৰৰ মাজত আৰু ৰাজ্য চৰকাৰবোৰৰ মাজত বিবাদৰ সূত্ৰপাত হোৱাটো নিশ্চিত। এই ধৰণৰ বিবাদবোৰ বিচাৰ কৰি নিষ্পত্তি কৰাৰ ক্ষমতা কেৱল উচ্চতম ন্যায়ালয়ৰ হাতত ন্যস্ত কৰা হৈছে। কেৱল উচ্চতম ন্যায়ালয়ৰহে এই ক্ষমতা আছে বাবে ইয়াক মৌলিক ক্ষমতা বুলি কোৱা হয়। উচ্চ ন্যায়ালয় বা নিম্ন আদালতৰ এই ক্ষমতা নাই। উচ্চতম ন্যায়ালয়ে যুক্তৰাষ্ট্ৰীয় বিবাদ নিষ্পত্তি কৰাৰ উপৰিও কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ সাংবিধানিক ক্ষমতাৰ ব্যাখ্যা কৰে।

### লেখ জাৰি ক্ষমতা (Writ Jurisdiction)

এজন নাগৰিকৰ মৌলিক অধিকাৰ খৰ্ব হলে তেওঁ পোনে পোনে উচ্চতম ন্যায়ালয়ৰ ওচৰ চাপিব পাৰে। উচ্চতম ন্যায়ালয়ে নাগৰিকৰ অধিকাৰ ৰক্ষণাবেক্ষণৰ বাবে "লেখ" জাৰি কৰি বিশেষ নিৰ্দেশ দিব পাৰে। যেনে— বন্দী প্ৰত্যক্ষীকৰণ, পৰমাদেশ, নিষেধাজ্ঞা, কৈফিয়ৎ তলবী আদেশ আৰু উৎপ্ৰেষণ আদেশ জাৰি কৰিব পাৰে। উচ্চ ন্যায়ালয়বোৰেও "লেখ" জাৰি কৰিব পাৰে। যিজন ব্যক্তিৰ অধিকাৰ ভংগ হয় তেওঁ নিজৰ পছন্দ অনুসৰি উচ্চতম ন্যায়ালয় বা উচ্চ ন্যায়ালয়ত পোনে পোনে আবেদন কৰিব পাৰে। এই ধৰণৰ "লেখ" জাৰি কৰি ন্যায়ালয়ে কাৰ্যপালিকাক কোনো কাৰ্য্য নিৰ্দিষ্ট ধৰণে সম্পাদন কৰিবলৈ বা সম্পাদন কৰাৰ পৰা বিৰত থাকিবলৈ নিৰ্দেশ দিব পাৰে।

### আপীল ক্ষমতা (Appellate Jurisdiction)

উচ্চতম ন্যায়ালয় হল সৰ্বোচ্চ আপীল আদালত। সাংবিধানিক, দেৱানী আৰু ফৌজদাৰী গোচৰত উচ্চতম ন্যায়ালয়ে আপীল ক্ষমতা প্ৰয়োগ কৰিব পাৰে। এজন ব্যক্তিয়ে উচ্চ ন্যায়ালয়ৰ ৰায়ৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত আপীল কৰিব পাৰে। অৱশ্যে, এই ক্ষেত্ৰত উচ্চ ন্যায়ালয়ে নিৰ্দিষ্ট গোচৰটো আপীলযোগ্য বুলি প্ৰমাণপত্ৰ দিব লাগে। অৰ্থাৎ উচ্চ ন্যায়ালয়ে গোচৰটোৰ সৈতে আইন নাইবা সংবিধানৰ ব্যাখ্যা জড়িত আছে বুলি প্ৰমাণপত্ৰ দিব লাগে। কিন্তু, উচ্চ ন্যায়ালয়ে আপীলৰ অনুমতি নিদিলেও উচ্চতম ন্যায়ালয়ে আপীল গ্ৰহণ কৰাৰ ক্ষমতা আছে। ইয়াৰ উপৰিও, ফৌজদাৰী গোচৰত আদালতে দিয়া মৃত্যুদণ্ডৰ ৰায়ৰ বিৰুদ্ধে এজন ব্যক্তিয়ে উচ্চতম ন্যায়ালয় বা উচ্চ ন্যায়ালয়ত আপীল কৰিব পাৰে। সহজ অৰ্থত আপীল অধিকাৰ ক্ষেত্ৰ মানে উচ্চতম

DAILY ASSAM



ন্যায়ালয়ে উচ্চ ন্যায়ালয়ৰ ৰায় বা সিদ্ধান্তৰ পুণৰ বিবেচনা কৰাৰ ক্ষমতা। এই ক্ষমতা প্ৰয়োগ কৰি উচ্চতম ন্যায়ালয়ে উচ্চ ন্যায়ালয়ৰ ৰায় বাতিল নাইবা সলনি কৰিব পাৰে আৰু গোচৰটোৰ সৈতে জড়িত বিধিগত দিশৰ নতুন ব্যাখ্যা প্ৰদান কৰিব পাৰে। উচ্চ ন্যায়ালয়বোৰেও নিম্ন আদালতৰ ৰায়ৰ বিৰুদ্ধে আপীল ক্ষমতা প্ৰয়োগ কৰিব পাৰে।

**পৰামৰ্শদানৰ ক্ষমতা** (Advisory Jurisdiction)

মৌলিক আৰু আপীল ক্ষমতাৰ উপৰিও, ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ পৰামৰ্শদানৰ ক্ষমতা আছে। কোনো ৰাজহুৱা গুৰুত্বপূৰ্ণ নাইবা আইন সংক্ৰান্ত বিষয়ত সংবিধান ব্যাখ্যাৰ প্ৰয়োজন হলে ৰাষ্ট্ৰপতিয়ে উচ্চতম ন্যায়ালয়ৰ পৰামৰ্শ বিচাৰিব পাৰে। কিন্তু, ৰাষ্ট্ৰপতিয়ে উচ্চতম ন্যায়ালয়ৰ পৰামৰ্শ মানিবলৈ বাধ্য নহয়। গতিকে উচ্চতম ন্যায়ালয়ৰ পৰামৰ্শদান ক্ষমতাৰ উপযোগিতা কি? ইয়াৰ দুইধৰণৰ উপযোগিতা আছে। প্ৰথমতে, কোনো গুৰুত্বপূৰ্ণ বিষয়ত কাৰ্য্যব্যৱস্থা গ্ৰহণৰ আগতে চৰকাৰে বিধিগত মতামত জানি লব পাৰে। ইয়ে অপ্ৰয়োজনীয় বিবাদ বা মোকৰ্দমা এৰাই চলাত চৰকাৰক সহায় কৰে। দ্বিতীয়তে, উচ্চতম ন্যায়ালয়ৰ পৰামৰ্শৰ ভিত্তিত, চৰকাৰে নিজৰ কোনো কাৰ্য্যব্যৱস্থা নাইবা বিধেয়কৰ উপযুক্তভাৱে সংশোধন কৰিব পাৰে।

*১৩৭ নং অনুচ্ছেদ*

*........ উচ্চতম ন্যায়ালয়ৰ নিজে পূৰ্বতে প্ৰদান কৰা কোনো 'ৰায়' বা সিদ্ধান্ত পৰ্য্যালোচনা বা পুণৰ বিবেচনা কৰাৰ ক্ষমতা আছে।*



পৰামৰ্শ দিয়াটো ঐচ্ছিক আৰু গ্ৰহণ কৰাটোও ঐচ্ছিক – এই কথাটো হাস্যঁকৰ নহয়নে?

*১৪৪ নং অনুচ্ছেদ*

*... ভাৰত ৰাজ্যক্ষেত্ৰৰ চাৰিসীমাৰ ভিতৰত অসামৰিক নাইবা ন্যায়িক সকলো কৰ্তৃত্বই উচ্চতম ন্যায়ালয়ৰ সহায়ৰ বাবে কাৰ্য্যপালন কৰিব।*

DAILY ASSAM



ওপৰত উল্লেখ কৰা অনুচ্ছেদ দুটা পঢ়ি চোঁৱা। ভাৰতৰ ন্যায়পালিকাৰ এককেন্দ্ৰীক প্ৰকৃতি সম্পৰ্কে এই অনুচ্ছেদ দুটা পঢ়ি জানিব পাৰি। ভাৰতৰ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰবোৰ উভয়ে একে বিচাৰ ব্যৱস্থাৰ দ্বাৰা নিয়ন্ত্ৰিত। সমগ্ৰ ভাৰতৰ বিচাৰ ব্যৱস্থা উচ্চতম ন্যায়ালয়ৰ নিয়ন্ত্ৰণাধীন। ভাৰতৰ সকলো ন্যায়ালয়ে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ আৰু ৰায় মানি চলিবলৈ বাধ্য। উচ্চতম ন্যায়ালয়ৰ অধিকাৰ ক্ষেত্ৰ সমগ্ৰ ভাৰত ৰাজ্যক্ষেত্ৰত বিস্তৃত হৈ আছে। উচ্চতম ন্যায়ালয়ে নিজে পূৰ্বতে প্ৰদান কৰা ৰায় বা সিদ্ধান্ত পুনৰ বিবেচনা কৰি নতুন ৰায় দিব পাৰে। ইয়াৰ উপৰিও, উচ্চতম ন্যায়ালয়ে কোনো ব্যক্তিক আদালত অৱমাননাৰ অভিযোগত শাস্তি প্ৰদান কৰিব পাৰে।



*উচ্চতম ন্যায়ালয়ক ইয়াৰ পূৰ্বৰ সিদ্ধান্ত বা ৰায় সলনি কৰাৰ অনুমতি কিয় দিয়া হৈছে? উচ্চতম ন্যায়ালয়েও ভুল কৰিব পাৰে! সেইবাবেই নহয় জানো?*

**তোমাৰ প্ৰগতিৰ পৰীক্ষা কৰা**

*তলৰ উক্তিবোৰ মিলোৱা*

| | |
|---|---|
| কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ মাজৰ বিবাদৰ শুনানি গ্ৰহণ | উচ্চ ন্যায়ালয়। |
| জিলা আদালতৰ পৰা আপীল শুনানি | পৰামৰ্শদান ক্ষমতা। |
| একক আৰু একত্ৰিত ন্যায়পালিকা | ন্যায়িক সমীক্ষা। |
| আইন এখন অসাংবিধানিক ঘোষণা | মৌলিক ক্ষমতা। |
| | উচ্চতম ন্যায়ালয়। |
| | একক সংবিধান। |

## ন্যায়িক সক্ৰিয়তা (Judicial Activism)

"ন্যায়িক সক্ৰিয়তা" ৰ ধাৰণাটো তোমালোকে শুনিছানে? নাইবা "ৰাজহুৱা স্বাৰ্থজড়িত গোচৰ" ৰ (Public Interest Litigation) বিষয়ে শুনিছানে?

DAILY ASSAM



**ব্যঙ্গ চিত্ৰখন পঢ়া**




সাম্প্ৰতিক সময়ত বিভিন্ন দল বা সংস্থাই আহ্বান কৰা 'বন্ধৰ ঘোষণা' ক ন্যায়পালিকাই অবৈধ বুলি কৈছে। তোমালোকে জানানে বাৰু?

সাম্প্ৰতিক সময়ত এই ধাৰণা দুটাৰ বিষয়ে যথেষ্ট চৰ্চা হৈছে। এই ধাৰণা দুটাই ন্যায়পালিকাৰ কাৰ্য্যপৰিধি ব্যাপকভাৱে সম্প্ৰসাৰিত কৰিছে? ফলত ন্যায়পালিকাই জনসাধাৰণৰ আশা-আকাংক্ষা বহুপৰিমাণে পূৰণ কৰিবলৈ সক্ষম হৈছে।

ভাৰতত ন্যায়িক সক্ৰিয়তাৰ মূল চালিকা শক্তি হ'ল " ৰাজহুৱা স্বাৰ্থজড়িত গোচৰ"। 'ৰাজহুৱা স্বাৰ্থজড়িত গোচৰ' মানে কি? ই কেনেকৈ আৰু কেতিয়া উদ্ভৱ হ'ল? আইনৰ গতানুগতিক প্ৰক্ৰিয়া অনুসৰি এজন নাগৰিকে ব্যক্তিগতভাৱে ক্ষতিগ্ৰস্ত হলেহে আদালতৰ ওচৰ চাপে। অৰ্থাৎ এজন ব্যক্তিৰ অধিকাৰ খৰ্ব হলে নাইবা কোনো বিবাদত জড়িত হ'লেহে তেওঁ আদালতৰ ওচৰলৈ যায়। সাম্প্ৰতিক সময়ত এই ধাৰণাৰ পৰিবৰ্তন হৈছে। ১৯৭৯ চনত ন্যায়পালিকাই এক নতুন ধাৰণা প্ৰৱৰ্তন কৰে। ১৯৭৯ চনত উচ্চতম ন্যায়ালয়ে নিজাববীয়াকৈ এক গোচৰ বিচাৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। মন কৰিবলগীয়া যে ক্ষতিগ্ৰস্ত ব্যক্তিসকলে এই গোচৰ ৰুজু কৰা নাছিল।

DAILY ASSAM



বৰঞ্চ ক্ষতিগ্ৰস্তসকলৰহে আন ব্যক্তিয়ে এই গোচৰটো উচ্চতম ন্যায়ালয়ৰ মজিয়াত উত্থাপন কৰিছিল। এই গোচৰৰ সৈতে ৰাজহুৱা স্বাৰ্থ জড়িত আছিল আৰু সেইবাবেই এইধৰণৰ গোচৰবোৰ "ৰাজহুৱা স্বাৰ্থজড়িত" গোচৰ হিচাপে জনাজাত হৈ পৰে। একে সময়তে, উচ্চতম ন্যায়ালয়ে কাৰাবন্দীসকলৰ অধিকাৰ সম্পৰ্কে এটা গোচৰ বিচাৰৰ বাবে গ্ৰহণ কৰিছিল। এনেদৰেই 'ন্যায়িক সক্ৰিয়তা'ৰ আৰম্ভণি হৈছিল। ৰাজহুৱা স্বাৰ্থ সুৰক্ষাৰ বাবে আগ্ৰহী সচেতন নাগৰিক আৰু স্বেচ্ছাসেৱী সংস্থাই জনসাধাৰণৰ অধিকাৰৰ ৰক্ষণাবেক্ষণ, দৰিদ্ৰসকলৰজীৱনৰ মানদণ্ডৰ উন্নতি সাধন, পৰিবেশ সুৰক্ষা ইত্যাদি বিষয়ত ন্যায়পালিকাৰ হস্তক্ষেপ বিচাৰি ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰিবলৈ আৰম্ভ কৰে।



শুনিবলৈ পোৱা যায় কিছুমান কাম যে স্বাৰ্থজড়িত আবেদন মানে 'ব্যক্তিগত স্বাৰ্থজড়িত আবেদন' সেইটো কিয় হয়?

পৰম্পৰাগতভাৱে আদালতৰ মজিয়াত ৰুজু কৰা গোচৰসমূহ নিষ্পত্তিকৰণতে ন্যায়পালিকাৰ ভূমিকা সীমিত হৈ আছিল। ন্যায়িক সক্ৰিয়তাৰ বিকাশ হোৱাৰ পিছৰে পৰা, ন্যায়পালিকাই বাতৰি কাকতৰ প্ৰতিবেদনৰ ভিত্তিত বা পোষ্টকাৰ্ডত চিঠি লিখি জনোৱা অভিযোগৰ ভিত্তিত বহুতো গোচৰ বিচাৰৰ বাবে গ্ৰহণ কৰিছে। গতিকে ন্যায়িক সক্ৰিয়তাৰ ফলত ন্যায়পালিকাৰ গতানুগতিক ভূমিকাৰ পৰিবৰ্তন আৰু সম্প্ৰসাৰণ ঘটিছে। উচ্চতম ন্যায়ালয়ে ৰাজহুৱা স্বাৰ্থজড়িত আবেদন গ্ৰহণ কৰি কাৰ্য্যপালিকা আৰু বিধানমণ্ডলক বিভিন্ন আদেশ বা নিৰ্দেশ জাৰি কৰা দেখা যায়।

দুটা উল্লেখযোগ্য আৰু অগ্ৰণী 'ৰাজহুৱা স্বাৰ্থজড়িত গোচৰ'

- ১৯৭৯ চনত বিচৰাধীন কাৰাবন্দীসকলৰ বিষয়ে বাতৰি কাকতত কিছুমান প্ৰতিবেদন প্ৰকাশ হৈছিল। বিহাৰত কিছুমান অভিযুক্ত ব্যক্তি এক দীঘলীয়া সময় কাৰাগাৰত বন্দী হৈ আছিল। কিন্তু সময়মতে বিচাৰ প্ৰক্ৰিয়া শেষ কৰি তেওঁলোকক শাস্তি প্ৰদান কৰাহেঁতেন তেওঁলোকে ইমান দীঘলীয়া সময় বন্দী হৈ থাকিব নালাগিলহেঁতেন। বাতৰি কাকতত প্ৰকাশিত প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি এজন

DAILY ASSAM





ন্যায়াধীশে উচ্চতম ন্যায়ালয়ত এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰিছিল। এই আবেদনখনৰ ওপৰত ভিত্তি কৰি উচ্চতম ন্যায়ালয়ে গোচৰটো বিচাৰৰ বাবে গ্ৰহণ কৰে। এই গোচৰটো "হুচিয়ানাৰা বনাম বিহাৰ" নামেৰে জনাজাত।

◈ ১৯৮০ চনত তিহাৰ জেলৰ এজন বন্দীয়ে এটুকুৰা কাগজত তেওঁলোকৰ ওপৰত কৰা শাৰিৰীক নিৰ্যাতনৰ বিষয়ে লিখি ন্যায়াধীশ কৃষ্ণা আয়াৰলৈ পঠিয়াই দিবলৈ সক্ষম হৈছিল। ন্যায়াধীশজনে এই কাগজ টুকুৰাকে এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন হিচাপে বিবেচনা কৰিছিল। এই গোচৰটো "সুনীল বাট্ৰা বনাম দিল্লী" নামেৰে জনা যায়।

"ৰাজহুৱা স্বাৰ্থজড়িত গোচৰ"ৰ জৰিয়তে ন্যায়পালিকাই "অধিকাৰ" অৱধাৰণাটোৰ পৰিসৰ সম্প্ৰসাৰণ কৰিছে। পৰিস্কাৰ আৰু প্ৰদূষণমুক্ত পৰিৱেশ, বিশুদ্ধ খোৱা পানী, সুস্থ জীৱন যাপনৰ অধিকাৰ সমাজৰ সকলো নাগৰিকৰে আছে। এইবোৰ অধিকাৰ খৰ্ব হ'লে সমাজৰ সদস্য হিচাবে সকলো ব্যক্তিয়ে ন্যায় দাবী কৰাৰ অধিকাৰ আছে।

১৯৮০ চনৰ পৰবৰ্তী সময়ত, আদালতৰ ওচৰ চাপিবলৈ অক্ষম আৰু দুৰ্বল শ্ৰেণীৰ জনসাধাৰণৰ অধিকাৰ সুৰক্ষাৰ বাবে ন্যায়পালিকাই যথেষ্ট আগ্ৰহ আৰু সক্ৰিয়তা প্ৰদৰ্শন কৰিছে। এই উদ্দেশ্যে, ন্যায়পালিকাই সমাজসেৱক ব্যক্তি, সামাজিক অনুষ্ঠান আৰু অধিবক্তাসকলক দৰিদ্ৰ আৰু বঞ্চিতসকলৰহৈ ৰাজহুৱা স্বাৰ্থজড়িত আৱেদন দাখিল কৰিবলৈ অনুমতি প্ৰদান কৰিছে।

এইটো মনত ৰাখিব লাগিব যে দুখীয়া জনগণৰ সমস্যা গুণগতভাৱে পৃথক। সেইবাবে তেওঁলোকৰ ক্ষেত্ৰত এক সুকীয়া ন্যায়িক দৃষ্টিভংগী গ্ৰহণৰ প্ৰয়োজন আছে। যদি, আমি তেওঁলোকৰ ক্ষেত্ৰতো প্ৰতিকূল ন্যায়িক প্ৰক্ৰিয়া অনুসৰণ কৰো, তেওঁলোকে কেতিয়াও মৌলিক অধিকাৰ ভোগ কৰিবলৈ সক্ষম নহ'ব—।

ন্যায়াধীশ ভাগৱতীয়ে 'বন্ধুৱা মুক্তি মৰ্চা বনাম কেন্দ্ৰীয় চৰকাৰ, ১৯৮৪, নামৰ গোচৰত এইদৰে মন্তব্য কৰিছিল।

DAILY ASSAM





***কাৰ্য্যাৱলী***

এটা "ৰাজহুৱা স্বাৰ্থজড়িত গোচৰ" বিচাৰি উলিওৱা আৰু গোচৰটোৱে কিদৰে ৰাজহুৱা স্বাৰ্থ সুৰক্ষিত কৰিছে আলোচনা কৰা।

ন্যায়িক সক্ৰিয়তাই ৰাজনৈতিক ব্যৱস্থাত বিভিন্ন ধৰণে প্ৰভাৱ বিস্তাৰ কৰিছে। ইয়ে ন্যায়পালিকাক অধিক গণতান্ত্ৰিকভাৱে গঢ়ি তুলিবলৈ সমৰ্থ হৈছে। ব্যক্তিৰ উপৰিও সমূহ নাইবা সংস্থাইও ন্যায়পালিকাৰ ওচৰ চাপিবলৈ সমৰ্থ হৈছে। ইয়ে কাৰ্যপালিকাক দায়িত্বশীল আৰু জবাবদিহি হবলৈ বাধ্য কৰিছে। তদুপৰি, ই নিৰ্বাচন ব্যৱস্থাটোকো মুক্ত আৰু নিকা কৰি গঢ় দিবলৈ চেষ্টা কৰিছে। ন্যায়িক সক্ৰিয়তাৰ ফলস্বৰূপে, নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰা প্ৰাৰ্থীসকলে তেওঁলোকৰ আয়, সম্পত্তিৰ হিচাপ আৰু শিক্ষাগত অৰ্হতাৰ বিষয়ে আদালতত শপতনামা দাখিল কৰিবলৈ বাধ্য হৈছে। ইয়াৰ ফলত জনসাধাৰণে সঠিক জ্ঞান আৰু তথ্যৰ ওপৰত নিৰ্ভৰ কৰি তেওঁলোকৰ প্ৰতিনিধি নিৰ্বাচন কৰিব পৰা হৈছে।

'ন্যায়িক সক্ৰিয়তা' ৰ কিছুমান ঋণাত্মক পৰিণতি দেখা যায়। প্ৰথমতে, ন্যায়িক সক্ৰিয়তাৰ ফলত ন্যায়পালিকাৰ কামৰ পৰিমাণ বহু পৰিমাণে বৃদ্ধি হৈছে। গতিকে, ন্যায় প্ৰদানত পলম হৈছে। দ্বিতীয়তে, ন্যায়পালিকা, কাৰ্যপালিকা আৰু বিধানমণ্ডলৰ মাজৰ প্ৰভেদৰ সীমাৰেখাডাল অস্পষ্ট হৈ উঠিছে। ন্যায়ালয়ে কাৰ্যপালিকাৰ কামত মনোনিবেশ কৰিব লগা হৈছে। উদাহৰণস্বৰূপে, প্ৰদূষণ নিয়ন্ত্ৰণ বা দুৰ্নীতি নিবাৰণ বা নিৰ্বাচনী সংস্কাৰ আদি কামবোৰ প্ৰকৃততে ন্যায়পালিকাৰ দায়িত্বৰ অন্তৰ্ভূক্ত নহয়। সাধাৰণতে এইবোৰ কাম প্ৰশাসনে বিধানমণ্ডলৰ তত্বাৱধানত কৰিব লাগে। সেইবাবে ন্যায়িক সক্ৰিয়তাই চৰকাৰৰ তিনিটা প্ৰধান অংগৰ মাজত থকা ভাৰসাম্য নষ্ট কৰিব পাৰে বুলি কিছুমান চিন্তাবিদে মত প্ৰকাশ কৰিছে। গণতান্ত্ৰিক চৰকাৰ এখন



*মই ভাবো ন্যায়িক সক্ৰিয়তাই কাৰ্য্যপালিকা আৰু বিধানমণ্ডল সম্পৰ্কে বহুতে কৈছে তেওঁলোকে কি কৰিছে। যদি কাৰ্যপালিকা আৰু বিধানমণ্ডলে ন্যায় দিবলৈ আৰম্ভ কৰে কি হ'ব?*

DAILY ASSAM



সুস্থভাৱে পৰিচালিত হ'বলৈ হলে চৰকাৰৰ প্ৰতিটো অংগই পৰস্পৰ ক্ষমতা আৰু অধিকাৰ ক্ষেত্ৰক সন্মান কৰিব লাগিব। অন্যথা গণতান্ত্ৰিক শাসন ব্যৱস্থাত জটিলতা সৃষ্টি হ'ব পাৰে।

### তুমি এজন বিচাৰক



এখন চহৰৰ কেইজনমান নাগৰিক লগ হৈ আদালতত এখন ৰাজহুৱা স্বাৰ্থজড়িত আৱেদন দাখিল কৰিছে। বস্তি অঞ্চলবোৰ আঁতৰ কৰি চহৰখন পৰিস্কাৰ আৰু সুন্দৰ কৰি গঢ়ি তোলাৰ বাবে প্ৰশাসনক নিৰ্দেশ দিবলৈ গোচৰটোত আবেদন কৰা হৈছে। তেওঁলোকে যুক্তি দিছে যে এইটো এটা ৰাজহুৱা স্বাৰ্থৰ বিষয়। আনহাতে বস্তি অঞ্চলৰ বাসিন্দাসকলে ইয়াৰ প্ৰতিবাদ কৰি যুক্তি দিছে যে ইয়ে তেওঁলোকৰ জীৱনৰ অধিকাৰ খৰ্ব কৰিব। 'এখন পৰিস্কাৰ চহৰৰ অধিকাৰ'ৰ তুলনাত 'জীৱনৰ অধিকাৰ' ৰাজহুৱা স্বাৰ্থৰ অধিক কেন্দ্ৰীয় বিষয়বস্তু বুলি তেওঁলোকে যুক্তি আগবঢ়াইছে।

কল্পনা কৰা তুমি এজন বিচাৰক।

যদি 'ৰাজহুৱা স্বাৰ্থজড়িত গোচৰ'ৰ আবেদনখনত ৰাজহুৱা স্বাৰ্থ জড়িত আছে, তুমি এটা 'ৰায়' লিখি উলিওৱা।

### ন্যায়পালিকা আৰু অধিকাৰ (Judiciary and Rights)

ভাৰতীয় সংবিধানে নাগৰিকৰ মৌলিক অধিকাৰ ৰক্ষণাবেক্ষণৰ দায়িত্ব ন্যায়পালিকাৰ ওপৰত ন্যস্ত কৰিছে। সংবিধানে নাগৰিকৰ মৌলিক অধিকাৰ ৰক্ষণাবেক্ষণৰ বাবে দুটা উপায় উল্লেখ কৰিছে। এই উপায় দুটাৰ জৰিয়তে উচ্চতম ন্যায়ালয়ে নাগৰিকৰ অধিকাৰ খৰ্ব হ'লে তাৰ প্ৰতিকাৰ কৰে।

- প্ৰথমতে, সংবিধানৰ ৩২ নং অনুচ্ছেদ অনুযায়ী উচ্চতম ন্যায়ালয়ে বিভিন্ন লেখ জাৰি কৰি নাগৰিকৰ অধিকাৰ সুৰক্ষাৰ বাবে নিৰ্দেশ দিয়ে। যেনে— বন্দী প্ৰত্যক্ষীকৰণ; পৰমাধিদেশ, নিষেধাজ্ঞা, কৈফিয়ৎ তলবী, উৎপ্ৰেষণ ইত্যাদি। সংবিধানৰ ২২৬ নং অনুচ্ছেদ অনুযায়ী উচ্চ ন্যায়ালয়ৰও লেখ জাৰিৰ ক্ষমতা আছে।

DAILY ASSAM



- দ্বিতীয়তে, সংবিধানৰ ১৩ নং অনুচ্ছেদ অনুযায়ী সংসদে প্ৰণয়ন কৰা কোনো আইনে যদি নাগৰিকৰ মৌলিক অধিকাৰ খৰ্ব কৰে, তেতিয়া উচ্চতম ন্যায়ালয়ে তেনে আইনক অসাংবিধানিক বুলি ঘোষণা কৰি বাতিল কৰিব পাৰে।

এই দুটা সাংবিধানিক ব্যৱস্থাই উচ্চতম ন্যায়ালয়ক নাগৰিকৰ মৌলিক অধিকাৰৰ 'অভিভাৱক' আৰু সংবিধানৰ 'ব্যাখ্যাকাৰী' মৰ্য্যাদা প্ৰদান কৰিছে। ওপৰত উল্লেখিত দ্বিতীয়টো সাংবিধানিক ব্যৱস্থা উচ্চতম ন্যায়ালয়ৰ ন্যায়িক সমীক্ষা ক্ষমতাৰ সৈতে জড়িত।

উচ্চতম ন্যায়ালয়ৰ এবিধ অতি গুৰুত্বপূৰ্ণ ক্ষমতা হ'ল ন্যায়িক সমীক্ষা ক্ষমতা। বিধানমণ্ডলে প্ৰণয়ন কৰা আইনৰ সাংবিধানিক বৈধতা বিচাৰ কৰিব পৰা উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ৰ ক্ষমতাক ন্যায়িক সমীক্ষা ক্ষমতা বুলি কোৱা হয়। বিধানমণ্ডলে প্ৰণয়ন কৰা কোনো আইন যদি সংবিধানৰ পৰিপন্থী হয়, তেতিয়া ন্যায়পালিকাই তেনে আইনক অসাংবিধানিক ঘোষণা কৰি বাতিল কৰিব পাৰে। অৱশ্যে, সংবিধানত ন্যায়িক সমীক্ষাৰ উল্লেখ নাই। কিন্তু ভাৰত চৰকাৰৰ প্ৰতিটো অংগই সংবিধানৰ পৰা ক্ষমতা আহৰণ কৰে। চৰকাৰৰ প্ৰতিটো অংগই সংবিধানে বান্ধি দিয়া সীমাৰ ভিতৰতহে কাৰ্য্য সম্পাদন কৰিব পাৰে। বিধানমণ্ডলে প্ৰণয়ণ কৰা আইনৰ বৈধতা বিচাৰ কৰা আৰু নাগৰিকৰ মৌলিক অধিকাৰ ৰক্ষণাবেক্ষণৰ যি ক্ষমতা উচ্চতম ন্যায়ালয়ে প্ৰয়োগ কৰে, তাৰ পৰাই "ন্যায়িক সমীক্ষা" ৰ ধাৰণাটো উদ্ভৱ হৈছে।

'ন্যায়িক সমীক্ষা' ক্ষমতাৰ জৰিয়তে, উচ্চতম ন্যায়ালয়ে কেন্দ্ৰীয় ৰাজ্যিক চৰকাৰৰ মাজৰ যুক্তৰাষ্ট্ৰীয় সম্পৰ্ক বিচাৰ কৰিব পাৰে। বিধানমণ্ডলে প্ৰণয়ন কৰা কোনো আইনে যদি সংবিধানে নিৰ্দ্ধাৰিত কৰা ক্ষমতা বিতৰণৰ নীতি উলংঘা কৰে তেতিয়া উচ্চতম ন্যায়ালয়ে তেনে আইনক অবৈধ ঘোষণা কৰি বাতিল কৰে। ধৰি লোৱা— কেন্দ্ৰীয় চৰকাৰে এখন আইন প্ৰণয়ন কৰিলে। যদি এই আইনখন ৰাজ্যিক সূচীৰ বিষয়ৰ লগত জড়িত তেতিয়া ৰাজ্য চৰকাৰে উচ্চতম ন্যায়ালয়ত আইনখন বাতিলৰ আবেদন কৰিব পাৰে। উচ্চতম ন্যায়ালয়ে ৰাজ্য চৰকাৰৰ সৈতে একমত হ'লে, আইনখন অসাংবিধানিক বুলি ঘোষণা কৰে। চমুকৈ ক'বলৈ হ'লে বিধানমণ্ডলে প্ৰণয়ণ কৰা কোনো আইনৰ সাংবিধানিক বৈধতা পৰীক্ষা কৰিব পৰা ন্যায়পালিকাৰ ক্ষমতাকে ন্যায়িক সমীক্ষা বোলে। অৰ্থাৎ কোনো বিধেয়ক এখনে যদি নাগৰিকৰ মৌলিক অধিকাৰ খৰ্ব কৰে অথবা যুক্তৰাষ্ট্ৰীয় ক্ষমতা বিতৰণৰ নীতি উলংঘা কৰে

DAILY ASSAM





উচ্চতম ন্যায়ালয়ে পৰ্য্যালোচনা কৰি তাক বাতিল কৰিব পাৰে। ৰাজ্যিক বিধানমণ্ডলে প্ৰণয়ন কৰা আইনৰ ক্ষেত্ৰতো 'ন্যায়িক সমীক্ষা' ক্ষমতা প্ৰয়োগ কৰিব পাৰি।

এইদৰে দেখা গৈছে যে 'লেখ' জাৰি কৰা ক্ষমতা আৰু 'ন্যায়িক সমীক্ষা' ক্ষমতাই ন্যায়পালিকাক চৰকাৰৰ এক শক্তিশালী অংগ হিচাপে প্ৰতিষ্ঠা কৰিছে। বিশেষকৈ ন্যায়পালিকাই সংবিধান আৰু বিধিবদ্ধ আইনৰ ব্যাখ্যা আৰু পৰ্য্যালোচনা কৰিব পাৰে। এইবাবেই উচ্চতম ন্যায়ালয়ক সংবিধানৰ অভিভাৱক বুলি কোৱা হয়। 'ন্যায়িক সমীক্ষা' আৰু 'ৰাজহুৱা স্বাৰ্থজড়িত গোচৰ'ৰ জৰিয়তে উচ্চতম ন্যায়ালয়ে সংবিধানৰ ব্যাখ্যা আৰু নাগৰিকৰ অধিকাৰ ৰক্ষণাবেক্ষণৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰি আহিছে।



*মই ভাবো যদি মই এজন ন্যায়াধীশ হ'লোহেঁতেন তেতিয়া নিৰ্বাচন আৰু জনসাধাৰণৰ সমৰ্থন সম্পৰ্কে মোৰ কোনো দুচিন্তা নাথাকিলহেঁতেন বৰঞ্চ প্ৰকৃততে বহুতো ক্ষমতা থাকিলহেঁতেন।*

> তোমালোকে জানানে যে বহুতো দেশত ৰাজহুৱা স্বাৰ্থজড়িত গোচৰে অধিক জনপ্ৰিয়তা লাভ কৰিছে। বিশ্বৰ বিভিন্ন দেশত, বিশেষকৈ দক্ষিণ এচিয়া আৰু আফ্ৰিকাত কিছু পৰিমাণে ন্যায়িক সক্ৰিয়তাৰ প্ৰচলন হৈ আছে। দক্ষিণ আফ্ৰিকাৰ সংবিধানৰ 'অধিকাৰ চনদ' ত ৰাজহুৱা স্বাৰ্থজড়িত গোচৰ অন্তৰ্ভূক্ত কৰিছে। এইদৰে ব্যক্তিৰ অধিকাৰ ভংগৰ ঘটনাৰ বিষয়ে আদালতৰ দৃষ্টিগোচৰ কৰাটো দক্ষিণ আফ্ৰিকাৰ নাগৰিকৰ মৌলিক অধিকাৰ হিচাপে প্ৰতিপন্ন হৈছে।

'অধিকাৰ' অধ্যায়টোত শোষণৰ বিৰুদ্ধে অধিকাৰৰ বিষয়ে আলোচনা কৰা হৈছে। তোমালোকৰ মনত আছেনে? এই অধিকাৰে বলপূৰ্বক শ্ৰমিক, মানৱ দেহৰ ব্যৱসায়, বিপদজনক কামত শিশুৰ নিয়োগ নিষিদ্ধ কৰিছে। কিন্তু এইখিনিতে প্ৰশ্ন হয় যিসকলৰ অধিকাৰ ভংগ হৈছে তেওঁলোকে কেনেকৈ ন্যায়ালয়ৰ ওচৰ চাপিব পাৰিব? ন্যায়িক সক্ৰিয়তা আৰু ৰাজহুৱা স্বাৰ্থজড়িত গোচৰে এইটো সম্ভৱ কৰি তুলিছে। আদালতে ন্যায়িক সক্ৰিয়তা আৰু ৰাজহুৱা স্বাৰ্থজড়িত গোচৰৰ দ্বাৰা

DAILY ASSAM



নাগৰিকৰ অধিকাৰ উলংঘনৰ ঘটনাবোৰ বিচাৰ কৰিবলৈ সক্ষম হৈছে। বিভিন্ন ধৰণৰ উলংঘনৰ ঘটনা যেনে— কাৰাবন্দীসকলৰ ওপৰত পুলিচৰ অত্যাচাৰ, অমানৱীয় আৰু অস্বাস্থ্যকৰ কামৰ পৰিবেশ, শিশুৰ ওপৰৰ যৌন নিৰ্যাতন ইত্যাদিৰ বিষয়ে আদালতে বিবেচনা কৰিছে। ফলত সমাজৰ দুখীয়া আৰু অৱহেলিত মানুহেও অধিকাৰ ভোগ কৰিবলৈ সমৰ্থ হৈছে।

**তোমাৰ প্ৰগতিৰ পৰীক্ষা কৰা**

- *ন্যায়ালয়ে কেতিয়া ন্যায়িক সমীক্ষা ক্ষমতা প্ৰয়োগ কৰে?*
- *'ন্যায়িক সমীক্ষা' আৰু 'লেখ'ৰ মাজত পাৰ্থক্য কি?*

### ন্যায়পালিকা আৰু সংসদ (Judiciary and Parliament)

নাগৰিকৰ অধিকাৰ সুৰক্ষা দিয়াৰ উপৰিও সংবিধানখন ৰাজনৈতিক প্ৰচেষ্টাৰ জৰিয়তে যাতে বিকৃত কৰিব নোৱাৰে তাৰ বাবে ন্যায়পালিকাই সতৰ্ক দৃষ্টি ৰাখিছে। যিবোৰ ক্ষেত্ৰ ন্যায়িক সমীক্ষাৰ পৰিসৰৰ অন্তৰ্ভূক্ত নহয়, আনকি সেইবোৰ ক্ষেত্ৰতো ন্যায়পালিকাই নিজৰ নিয়ন্ত্ৰণ খটুৱাবলৈ সক্ষম হৈছে। উদাহৰণস্বৰূপে ৰাষ্ট্ৰপতি আৰু ৰাজ্যপালকো জবাবদিহি কৰিছে।

উচ্চতম ন্যায়ালয়ে সময়ে সময়ে কাৰ্যপালিকাক কিছুমান নিৰ্দেশ প্ৰদান কৰি ন্যায়দানৰ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰি আহিছে। উদাহৰণস্বৰূপে হাৱালা গোচৰ, নৰসিংহ ৰাওঁ গোচৰ, পেট্ৰোল পাম্পৰ আবৈধ অনুমোদনৰ গোচৰ ইত্যাদিত জড়িত ৰাজনীতিবিদ আৰু আমোলাসকলৰ বিৰুদ্ধে অনুসন্ধান আৰম্ভ কৰিবলৈ চি, বি, আই, ক উচ্চতম ন্যায়ালয়ে নিৰ্দেশ দিছিল। হয়তো তোমালোকে এইবোৰ গোচৰৰ বিষয়ে শুনিছা। এইবোৰ ন্যায়িক সক্ৰিয়তাৰে পৰিণতি।

সীমিত পৰিসৰত ক্ষমতাৰ পৃথকীকৰণ আৰু ক্ষমতাৰ ভাৰসাম্য নীতিৰ সুন্দৰ সংমিশ্ৰণত ভাৰতীয় সংবিধানখন ৰচিত হৈছে। অৰ্থাৎ চৰকাৰৰ প্ৰতিটো অংগৰে

DAILY ASSAM



এক স্পষ্ট কাৰ্য্যক্ষেত্ৰ বা অধিকাৰ ক্ষেত্ৰ নিৰ্দ্ধাৰণ কৰা হৈছে। সংসদৰ আইন প্ৰণয়ন আৰু সংবিধান সংশোধনৰ সৰ্ব্বোচ্চ ক্ষমতা আছে। কাৰ্যপালিকাৰ আইন ৰূপায়নৰ সৰ্বোচ্চ ক্ষমতা আছে। সেইদৰে ন্যায়পালিকাৰ সংসদে প্ৰণয়ন কৰা আইনৰ সাংবিধানিক বৈধতা বিচাৰ কৰা আৰু বিবাদ নিষ্পত্তি কৰাৰ সৰ্বোচ্চ ক্ষমতা আছে। ক্ষমতা বিভাজনৰ স্পষ্ট বিভাজন থকা স্বত্বেও এহাতে সংসদ আৰু ন্যায়পালিকাৰ মাজত, অন্যহাতে কাৰ্যপালিকা আৰু ন্যায়পালিকাৰ মাজত সময়ে সময়ে বিবাদৰ সূত্ৰপাত হৈ আহিছে।

সম্পত্তিৰ অধিকাৰ কৰ্তন আৰু সংসদৰ সংবিধান সংশোধনৰ ক্ষমতাৰ বিষয়ত সংসদ আৰু ন্যায়পালিকাৰ মাজত উদ্ভৱ হোৱা মতানৈক্যৰ কথা আমি ইতিমধ্যে আলোচনা কৰিছো। আমি এই বিষয়ে পুনৰ উল্লেখ কৰো আঁহা ঃ

সংবিধানখন কাৰ্য্যকৰী হোৱা সময়ৰে পৰা সম্পত্তিৰ অধিকাৰ সীমিতকৰণৰ বিষয়ে বিবাদ চলি আছিল। সংসদে সম্পত্তিৰ অধিকাৰত কিছুমান সীমাবদ্ধতা আৰোপ কৰি ভূমি সংস্কাৰ প্ৰৱৰ্তন কৰিব বিচাৰিছিল। কিন্তু সংসদে মৌলিক অধিকাৰ সংকুচিত বা ক্ষুন্ন কৰিব নোৱাৰে বুলি ন্যায়ালয়ে মত পোষণ কৰিছিল। তেতিয়া সংসদে সংবিধান সংশোধন কৰি মৌলিক অধিকাৰ কৰ্তন কৰাৰ চেষ্টা কৰিছিল। আকৌ ন্যায়পালিকাই ঘোষণা কৰিছিল যে সংবিধান সংশোধন কৰিও সংসদে মৌলিক অধিকাৰ সংকুচিত বা ক্ষুন্ন কৰিব নোৱাৰে।

সংসদ আৰু ন্যায়পালিকাৰ মাজৰ প্ৰধান বিবাদমান বিষয়সমূহ তলত উল্লেখ কৰা হ'ল ঃ


- ব্যক্তিগত সম্পত্তিৰ অধিকাৰৰ পৰিসৰ কিমান?
- সংসদৰ মৌলিক অধিকাৰ কৰ্তন আৰু সংকোচন কৰা ক্ষমতাৰ পৰিসৰ কিমান?
- সংসদৰ সংবিধান সংশোধন ক্ষমতাৰ পৰিসৰ কিমান?
- নিৰ্দেশাত্মক নীতি ৰূপায়ণ কৰিবলৈ সংসদে মৌলিক অধিকাৰ খৰ্ব কৰিব পৰা আইন প্ৰণয়ন কৰিব পাৰেনে?

১৯৬৭ চন আৰু ১৯৭৩ চনৰ মাজৰ সময়চোৱাত সংসদ আৰু ন্যায়পালিকাৰ মাজৰ বিবাদে গুৰুতৰ ৰূপ ধাৰণ কৰিছিল। ভূমি সংস্কাৰ আইনৰ উপৰিও, নিবাৰক নিৰোধ আইন, সংৰক্ষণ আইন, ৰাজহুৱা স্বাৰ্থত ব্যক্তিগত সম্পত্তি নিয়ন্ত্ৰণ আইন,

DAILY ASSAM



ন্যায়পালিকাৰ স্বাধীনতা অটুট ৰখাৰ আৱশ্যকতা সম্পৰ্কে কোনো দ্বিমত থাকিব নোৱাৰে.......। কিন্তু এটা গুৰুত্বপূৰ্ণ নীতি মনত ৰখা দৰকাৰ। সেইটো হ'ল ন্যায়পালিকাৰ স্বাধীনতা তত্বটোক ধৰ্মমতত পৰিণত কৰিব নালাগে। অন্যথায় ন্যায়পালিকাৰ কাৰ্যপালিকা আৰু বিধানমণ্ডলৰ কামত মনোনিবেশ কৰিবলৈ লোৱাৰ প্ৰৱণতা বৃদ্ধি পাব। সংবিধানৰ ব্যাখ্যা প্ৰদান আৰু নাগৰিকৰ অধিকাৰৰ ৰক্ষণাবেক্ষণৰ ভূমিকা পালনতহে ন্যায়পালিকাই মনোযোগ দিব লাগে।



(আল্লাদী কৃষ্ণস্বামী আয়াৰে সংবিধান সভাৰ আলোচনাত এইদৰে মন্তব্য কৰিছিল)

ক্ষতিপূৰণ প্ৰদান আইন ইত্যাদি সংসদ আৰু ন্যায়পালিকাৰ মাজত সৃষ্টি হোৱা বিবাদৰ কিছুমান গুৰুত্বপূৰ্ণ উদাহৰণ।

১৯৭৩ চনত উচ্চতম ন্যায়ালয়ে এটা গুৰুত্বপূৰ্ণ ৰায়দান কৰিছিল। তেতিয়াৰ পৰাই এই ৰায়টোৱে সংসদ আৰু ন্যায়পালিকাৰ মাজৰ সম্পৰ্ক নিয়ন্ত্ৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। এই গোচৰটো 'কেশৱানন্দ ভাৰতী' নামেৰে বিখ্যাত। সংবিধানৰ এটা মূল গাঁথনি আছে আৰু ইয়াক কোনেও ভংগ কৰিব নোৱাৰে বুলি উচ্চতম ন্যায়ালয়ে এই গোচৰটোৰ ৰায়দানত ঘোষণা কৰিছিল। আনকি সংসদে সংবিধান সংশোধন কৰিও মূল গাঁথনিৰ পৰিৱৰ্তন কৰিব নোৱাৰে। এই ৰায়টোৰ দুটা উল্লেখনীয় দিশ আছিল। ইয়াৰ প্ৰথমটো হ'ল— সম্পত্তিৰ অধিকাৰ সংবিধানৰ মূল গাঁথনিৰ অন্তৰ্ভূক্ত নহয়, গতিকে প্ৰয়োজন সাপেক্ষে সম্পত্তিৰ অধিকাৰ উপযুক্তভাবে সংশোধন কৰিব পাৰি। দ্বিতীয়টো হ'ল— সংবিধানৰ কোনো এটা অংশ মূল গাঁথনিৰ অন্তৰ্ভূক্ত হয়নে নহয় তাৰ সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা উচ্চতম ন্যায়ালয়ে নিজৰ হাতত সংৰক্ষিত কৰি ৰাখিছে। সম্ভৱত, এইটো উচ্চতম ন্যায়ালয়ৰ সংবিধান ব্যাখ্যাৰ ক্ষমতা প্ৰয়োগৰ এক উৎকৃষ্ট উদাহৰণ।

কেশৱানন্দ ভাৰতী গোচৰৰ ৰায়টোৱে বিধানমণ্ডল আৰু ন্যায়পালিকাৰ মাজৰ বিবাদৰ প্ৰকৃতি সলনি কৰিছে। ইতিমধ্যে আমি আগৰ অধ্যায়ত পাই আহিছো যে ১৯৭৯ চনত মৌলিক অধিকাৰৰ তালিকাৰ পৰা সম্পত্তিৰ অধিকাৰ কৰ্তন কৰা হৈছে। অৱশ্যে, কিছুমান বিষয়ত বিধানমণ্ডল আৰু ন্যায়পালিকাৰ মাজত এতিয়াও বিবাদ চলি আছে।

DAILY ASSAM



ন্যায়পালিকাই বিধানমণ্ডলৰ কামত হস্তক্ষেপ আৰু নিয়ন্ত্ৰণ কৰিব পাৰেনে? সংসদীয় শাসন ব্যৱস্থাত বিধানমণ্ডলে নিজৰ সদস্যসকলৰ আচৰণ আৰু কাৰ্য্য নিয়ন্ত্ৰণ কৰিব পৰা ক্ষমতা আছে। বিধানমণ্ডলৰ বিশেষাধিকাৰ ভংগ কৰাৰ অপৰাধত দোষী ব্যক্তিক বিধানমণ্ডলে শাস্তি দিব পৰা ক্ষমতা আছে। এইখিনিতে প্ৰশ্ন হয় বিধানমণ্ডলৰ বিশেষাধিকাৰ ভংগৰ অপৰাধত দোষী ব্যক্তি এজনে ন্যায়পালিকাৰ সহায় বিচাৰিব পাৰেনে? যদি বিধানমণ্ডলে ইয়াৰ সদস্য এজনৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰে, তেওঁ আদালতৰ সুৰক্ষা বিচাৰিব পাৰেনে? এই বিষয়সমূহ এতিয়াও সমাধান হোৱা নাই, যাৰ ফলত বিধানমণ্ডল আৰু ন্যায়পালিকাৰ মাজত তীব্ৰ মতবিৰোধ সৃষ্টি হৈ আছে। সংবিধান অনুসৰি ন্যায়াধীশৰ আচৰণ সম্পৰ্কে সংসদত আলোচনা কৰিব নোৱাৰি। সংসদ আৰু বিধানমণ্ডলে ন্যায়পালিকাৰ কাৰ্য্য সম্পৰ্কে অশোভনীয় মন্তব্য দিয়াৰ উদাহৰণ আছে। আনহাতে, ন্যায়পালিকাই বিধানমণ্ডলক সমালোচনা কৰিছে আৰু বিধায়নী কাৰ্য্য পৰিচালনা সম্পৰ্কে নিৰ্দেশ দিছে। ন্যায়পালিকাৰ এনেধৰণৰ কাৰ্য্যই সংসদীয় সাৰ্বভৌমত্বৰ নীতিত আঘাত হানিছে বুলি বিধানমণ্ডলে মন্তব্য কৰিছে।



*সংবিধানৰ মূল গাঁথনিৰ বিষয়বোৰ ন্যায়পালিকাই এবাৰতে কিয় ঘোষণা কৰিব নোৱাৰে?*

এইধৰণৰ বিতৰ্কিত বিষয়য়মূহে চৰকাৰৰ প্ৰধান অংগবোৰৰ মাজৰ এক জটিল সম্পৰ্ক প্ৰতিফলিত কৰিছে। তদুপৰি, চৰকাৰৰ প্ৰতিটো অংগই পৰস্পৰৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰাটো গণতন্ত্ৰৰ বাবে কিমান গুৰুত্বপূৰ্ণ ইয়াৰ পৰাই বুজিব পাৰি। গণতান্ত্ৰিক শাসনত চৰকাৰৰ অংগবোৰৰ মাজত এক সুস্থ ক্ষমতাৰ ভাৰসাম্য বৰ্তি থকা প্ৰয়োজন।

**তোমাৰ প্ৰগতিৰ পৰীক্ষা কৰা**

ন্যায়পালিকা আৰু সংসদৰ মাজত চলি থকা বিবাদৰ প্ৰধান বিষয়বোৰ হ'ল ঃ

- ন্যায়াধীশৰ নিযুক্তি।
- ন্যায়াধীশৰ দৰমহা আৰু ভাট্টা।
- সংসদৰ সংবিধান সংশোধনৰ ক্ষমতাৰ পৰিধি।
- ন্যায়পালিকাৰ কাৰ্য্যত বিধানমণ্ডলৰ হস্তক্ষেপ।

## ব্যঙ্গ চিত্ৰখন পঢ়া



At last. I've been honourably acquitted! It was a nightmare all this time! I swear I'll never again indulge in corruption!

R K Laxman in The Times of India.


**সমাজ জীৱনত দুৰ্নীতি নিৰ্মূল কৰাৰ বাবে ন্যায়ালয় ইমান সক্ৰিয় ?**

## সামৰণি

এইটো অধ্যায়ত আমাৰ গণতান্ত্ৰিক শাসন ব্যৱস্থাত ন্যায়পালিকাৰ ভূমিকা অধ্যয়ন কৰিলোঁ। ন্যায়পালিকা, কাৰ্যপালিকা আৰু বিধানমণ্ডলৰ মাজত সময়ে সময়ে বিৰোধ সংঘটিত হৈ থকা স্বত্বেও ন্যায়পালিকাৰ মৰ্য্যাদা যথেষ্ট বৃদ্ধি পাইছে। একে সময়তে ন্যায়পালিকাৰ ওপৰত জনসাধাৰণৰ আশা আৰু আস্থা বৃদ্ধি হৈছে। আনহাতে, কেতিয়াবা কেতিয়াবা ন্যায়পালিকাৰ ভূমিকাত জনসাধাৰণ অসন্তুষ্ট আৰু আচৰিত হৈছে। কাৰণ ধন আৰু বাহুবলৰ প্ৰভাৱ খটুৱাই বহু অভিযুক্তই আদালতৰ শাস্তিৰ পৰা ৰেহাই পাবলৈ সক্ষম হৈছে। বহুতো সাক্ষীয়ে ধনী আৰু ক্ষমতাশালী মানুহৰ সপক্ষে আদালতত তেওঁলোকৰ সাক্ষ্যপ্ৰমাণ সলনি কৰাৰ উদাহৰণ আছে। এনেবোৰ বিষয়ত ন্যায়পালিকাও উদ্বিগ্ন আৰু চিন্তিত হোৱাটো পৰিলক্ষিত হৈছে।

তোমালোকে জানিব পাৰিলা যে ভাৰতৰ ন্যায়পালিকা এক ক্ষমতাশালী অনুষ্ঠান। ভাৰতত ন্যায়পালিকাই মুক্ত আৰু স্বতন্ত্ৰভাৱে নিজৰ দায়িত্ব পালন কৰে। সেই বাবে জনসাধাৰণেও ন্যায়পালিকাক শ্ৰদ্ধা আৰু সন্মান কৰে। জনসাধাৰণে ন্যায়পালিকাৰ পৰা বহুত আশা কৰে। বিভিন্ন ৰায়দান কৰি ন্যায়ালয়ে সংবিধানৰ ব্যাখ্যা প্ৰদান কৰিছে আৰু নাগৰিকৰ মৌলিক অধিকাৰ ৰক্ষণাবেক্ষণ দিছে। আমি উপলব্ধি কৰিছো যে ন্যায়পালিকা আৰু বিধানমণ্ডলৰ মাজত সুস্থ ক্ষমতাৰ ভাৰসাম্যৰ পৰিবেশ বৰ্তি থকাৰ ওপৰতে গণতন্ত্ৰ নিৰ্ভৰশীল হৈ থাকে। গতিকে, সংবিধানে বান্ধি দিয়া সীমাবদ্ধতাৰ ভিতৰত থাকি এই দুটা অনুষ্ঠানে কাৰ্য্যনিৰ্বাহ কৰা প্ৰয়োজন।

DAILY ASSAM


सुप्रीम कोर्ट को सांसदों के निष्क
मामले में दखल का हक नहीं
NATIONAL NETWORK
RAJYA SABHA | Election of members from states they do not belong to challenged
SC to hear petition by month-end
Cash-for-query: Centre wants cases of MP
Judiciary a partner in development: Kalam
स्कूली शिक्षकों की उपेक्षा से हाई कोर्ट नाराज
नियुक्तियों के मामले में न्यायपालिका का कोई दखल नहीं: हाई कोर्ट
Supreme Court indicts Governor

DAILY ASSAM



## অনুশীলনী

১. ন্যায়পালিকাৰ স্বাধীনতা সুৰক্ষিত কৰা বিভিন্ন উপায়বোৰ কি কি? ভুল উত্তৰটো চিনাক্ত কৰা।

(ক) উচ্চতম ন্যায়ালয়ৰ অন্যান্য ন্যায়াধীশসকলক নিযুক্তি দিয়াত মুখ্য ন্যায়াধীশৰ লগত আলোচনা কৰিব লাগে।

(খ) ন্যায়াধীশসকলক সাধাৰণতে অৱসৰৰ বয়সৰ আগতে অপসাৰণ কৰা নহয়।

(গ) এখন উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ আন এখন উচ্চ ন্যায়ালয়লৈ বদলি কৰিব নোৱাৰি।

(ঘ) ন্যায়াধীশৰ নিযুক্তিত সংসদৰ কোনো ভূমিকা নাই।

২. ন্যায়পালিকাৰ স্বাধীনতা মানে ন্যায়পালিকা কাৰো ওচৰত দায়বদ্ধ নহয় নেকি? এশটা শব্দৰ ভিতৰত তোমাৰ উত্তৰটো লিখা।

৩. ন্যায়পালিকাৰ স্বাধীনতা সুৰক্ষাৰ বাবে সংবিধানত কি কি ব্যৱস্থাৰ উল্লেখ আছে?

৪. তলৰ প্ৰতিবেদন বাৰ্তা পঢ়া আৰু ইয়াৰ নিম্নলিখিত দিশবোৰ চিনাক্ত কৰা ঃ

- গোচৰটোৰ বিষয় কি?
- গোচৰটোত কোন উপকৃত হ'ল?
- গোচৰটোৰ আবেদনকাৰী কোন?
- কোম্পানীটোৰ দ্বাৰা বেলেগ কি যুক্তি আগবঢ়োৱা হ'লহেঁতেন দেখুওৱা?
- খেতিয়কসকলে কি যুক্তি আগবঢ়ালেহেঁতেন?

ডাহানু (Dahanu) খেতিয়কসকললৈ ৰিলায়েন্স এনাৰ্জি লিমিটেডক (REL) উচ্চতম ন্যায়ালৰ ৩০০ কোটি টকা পৰিশোধ কৰিবলৈ নিৰ্দেশ

*Our corporate Burecu 24 March 2005*

মুম্বাই ঃ মুম্বাইৰ দূৰবৰ্তী ডাহানু অঞ্চলৰ চিক্কু (Chikoo) ফলৰ খেতি কৰা খেতিয়কসকললৈ ৰিলায়েন্স এনাৰ্জিক ৩০০ কোটি টকা পৰিশোধ কৰিবলৈ উচ্চতম ন্যায়ালয়ে আদেশ দিছে। ৰিলায়েন্সৰ থাৰ্মেল পাৱাৰ প্লেণ্টে (Thermal power plant)

DAILY ASSAM



কৰা প্ৰদূষণৰ বিৰুদ্ধে চিকু খেতিয়কসকলে ন্যায়লয়ত কৰা আবেদনৰ পিছতে এই নির্দেশ দিয়া হয়।

ডাহানু, যিটো মুম্বাইৰ পৰা ১৫০ কিলোমিটাৰ দূৰত্বত অৱস্থিত, এটি স্ব-বহনক্ষম কৃষি আৰু উদ্যান ভিত্তিক অৰ্থনীতি যাক এক দশক আগত মীন পালন আৰু বনানিৰ বাবে জনা গৈছিল, কিন্তু যেতিয়া অঞ্চলটোত এটি থাৰ্মেল পাৱাৰ প্লেণ্ট (Thermal power plant) স্থাপন কৰা হৈছিল, তেতিয়া ১৯৮৯ চনত ই ধ্বংসপ্ৰাপ্ত হৈছিল। ইয়াৰ পিছৰ বছৰ, এই উৰ্বৰ ভূমিত প্ৰথমবাৰৰ বাবে শস্যৰ উৎপাদনত ব্যৰ্থ হৈছিল। যি সময়ত মহাৰাষ্ট্ৰট ৭০% শতাংশ ফলৰ ভড়াল আছিল, সেইটো এতিয়া ধ্বংসপ্ৰাপ্ত হ'ল। মীনপালন বন্ধ হৈ গ'ল আৰু বনাঞ্চল সেৰেঙা হ'ল। খেতিয়ক আৰু পৰিৱেশবিদসকলে কয় যে, শক্তি প্ৰকল্পৰ (Power plant) উৰন্ত ছাঁয়ে ভূ-পৃষ্ঠৰ পানীত প্ৰৱেশ কৰি গোটেই পৰিৱেশ ব্যৱস্থাটোক প্ৰদুষিত কৰিছে। ডাহানু মৌজাৰ পৰিৱেশ সুৰক্ষা কৰ্তৃপক্ষই গন্ধক নিগমন হ্ৰাস কৰিবলৈ থাৰ্মেল ষ্টেচনটোক প্ৰদুষণ নিয়ন্ত্ৰণ কেন্দ্ৰ স্থাপন কৰিবলৈ আদেশ দিছিল আৰু এই আদেশক উচ্চতম ন্যায়ালয়ৰ আদেশ থকা স্বত্বেও ২০০২ চনলৈকে আনকি প্ৰদুষণ নিয়ন্ত্ৰণ প্ৰকল্প স্থাপন কৰা হোৱা নাছিল। ২০০৩ চনত ৰিলায়েন্সে থাৰ্মেল ষ্টেচনটো লাভ কৰিছিল আৰু ২০০৪ চনত পুনৰ স্থাপন প্ৰক্ৰিয়াৰ বাবে এখন তালিকা পুনৰ দাখিল কৰিছিল। যিহেতু অদ্যাপি প্ৰদুষণ নিয়ন্ত্ৰণ প্ৰকল্প স্থাপন কৰা হোৱা নাই, ডাহানু মৌজা পৰিৱেশ নিয়ন্ত্ৰণ কৰ্তৃপক্ষই ৰিলায়েন্সক ৩০০ কোটি টকাৰ বেঙ্ক গেৰাণ্টিৰ ব্যৱস্থা কৰিবলৈ কৈছিল।

৫. তলৰ প্ৰতিবেদন বাৰ্তা পঢ়া আৰু

- বিভিন্ন পৰ্য্যায়ত চৰকাৰবোৰ চিনাক্ত কৰা
- উচ্চতম ন্যায়ালয়ৰ ভূমিকা চিনাক্ত কৰা
- ইয়াত তুমি ন্যায়পালিকা আৰু কাৰ্য্যপালিকাৰ কৰ্ম পদ্ধতিৰ কি উপাদান চিনাক্ত কৰিব পাৰা?

এই গোচৰটোৰ লগত জড়িত আইনৰ কাৰ্যকৰী কৰণ আৰু ব্যাখ্যা, বিধায়িনী সম্পৰ্কীয় আৰু কৰ্মনীতি বিষয় চিনাক্ত কৰা।

DAILY ASSAM



Centre, Delhi join hands on CNG issue

*By our staff Reporter, The Hindu 23 September 2001.*

নতুন দিল্লী, চেপ্তেম্বৰ ২২ ঃ আজি কেন্দ্ৰ আৰু দিল্লী চৰকাৰে যৌথভাৱে আগন্তুক সপ্তাহত উচ্চতম ন্যায়ালয়ৰ দাৰস্থ হ'বলৈ সন্মত হয় .... ৰাজধানীত সকলো NON-CNG ব্যৱসায়িক বাহন পৰ্যায়ক্ৰমে হ্ৰাস কৰিবলৈ। তেওঁলোকে নগৰখনৰ বাবে সমগ্ৰ পৰিবহণ ব্যৱস্থাটো একক ইন্ধন ধৰণৰ (Single Fuel mode) "যিটো সম্পূৰ্ণ বিপদজনক আৰু ধ্বংস সাধন কৰিব" পৰিৱৰ্তে দ্বৈত ইন্ধন নীতি সন্ধান কৰাৰ বাবেও সিদ্ধান্ত গ্ৰহণ কৰিছিল।

ৰাজধানীত ব্যক্তিগত যানবাহনৰ গৰাকীসকলক CNG ব্যৱহাৰত নিৰুৎসাহিত কৰিবলৈও সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। বাছ চলাবৰ বাবে ০.০৫ শতাংশ নিম্ন গন্ধক ডিজেল ব্যৱহাৰৰ অনুমতি দিবৰ বাবে দুয়োখন চৰকাৰে হেঁচা প্ৰয়োগ কৰিব। ইয়াৰ উপৰি, ন্যায়পালিকাৰ সন্মুখত এইটো আবেদন কৰা হ'ব যে, সকলো ব্যৱসায়িক যান বাহনক, যিবোৰ Furo II মান পূৰণ কৰে, চহৰখনত চলাচল কৰিবলৈ অনুমতি প্ৰদান কৰা উচিত। যদিওবা কেন্দ্ৰ আৰু ৰাজ্যচৰকাৰে সুকীয়া শপতনামা দাখিল কৰিব, এইবোৰত উমৈহতীয়া বিষয়বোৰো থাকিব। CNG সম্পৰ্কীয় চৰকাওে সহমত আৰু সমৰ্থন দিব। দিল্লীৰ মুখ্যমন্ত্ৰী, মিছ শীলা দীক্ষিত আৰু কেন্দ্ৰীয় পেট্ৰোলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী মিঃ ৰাম নায়কৰ মাজত অনুষ্ঠিত এখন সভাত এই সিদ্ধান্তসমূহ গ্ৰহণ কৰা হয়।

শ্ৰীমতী দীক্ষিতে কয় যে ডঃ আৰ. এ. মাছেলকাৰৰ তত্ত্বাৱধানত সমগ্ৰ দেশৰ বাবে অ'টো ইন্ধন নীতি (Auto Fuel Policy) গ্ৰহণ কৰাৰ উদ্দেশ্যে গঠিত উচ্চ ক্ষমতাসম্পন্ন সমিতিৰ প্ৰতি লক্ষ্য ৰাখি চৰম সময়সীমা বঢ়াই দিয়াটো সমীচিন হ'ব, যিহেতু নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত সমগ্ৰ ১০,০০০ খন বাছ CNG চালিত ব্যৱস্থালৈ ৰূপান্তৰিত কৰাটো সম্ভৱ নহ'ব।

মুখ্যমন্ত্ৰী গৰাকীয়ে কয় যে ন্যায়ালয়ৰ নিৰ্দেশাৱলী ৰূপায়ণ কৰিবলৈ সময়ৰ আৱশ্যক হ'ব। বিষয়টোৰ ওপৰত সামূহিক প্ৰচেষ্টাৰ কথা উল্লেখ কৰি দীক্ষিতে কয় যে, এই ক্ষেত্ৰত CNG ৰে চলাবলগীয়া বাহনৰ বিতং তথ্য, CNG ভৰোৱা ষ্টেচনত

DAILY ASSAM



হোৱা দীঘলীয়া শাৰী, দিল্লীত CNG ইন্ধনৰ আৱশ্যকতা আৰু ন্যায়ালয়ৰ নিৰ্দেশাৱলী ৰূপায়ণ কৰাৰ উপায়সমূহৰ প্ৰতি লক্ষ ৰাখিব।

উচ্চতম ন্যায়ালয়ে মহানগৰৰ চিটি বাছসমূহৰ বাবে কেৱল CNG ব্যৱহাৰ কৰাৰ নিয়মটো উঠাই ল'বলৈ অনিচ্ছুকতা প্ৰকাশ কৰি কয় যে, ন্যায়ালয়ে টেক্সি আৰু অটো ৰিক্সাসমূহত CNG ব্যৱহাৰ কৰাৰ ওপৰত কেতিয়াও জোৰ দিয়া নাই। মন্ত্ৰী নায়কে কয় যে, দিল্লীৰ চিটিবাছসমূহত নিম্ন চালফাৰযুক্ত ডিজেল ব্যৱহাৰৰ অনুমতি প্ৰদান কৰাত গুৰুত্ব আৰোপ কৰিব যিহেতু গোটেই পৰিবহন ব্যৱস্থাটো CNG ৰ ওপৰত নিৰ্ভৰ কৰাটো অতিকৈ কঠিন হ'ব।

ৰাজধানী মহানগৰখন পাইপ লাইনেৰে যোগান ধৰা CNG ৰ ওপৰতে নিৰ্ভৰশীল আৰু ইয়াৰ ব্যতিৰেকে পৰিবহন ব্যৱস্থা ব্যাহত হৈ পৰিব।

৬। তলৰ মন্তব্যটো ইকুৱেডৰ সম্পৰ্কিত। এই উদাহৰণ আৰু ভাৰতীয় ন্যায় ব্যৱস্থাৰ মাজত তুমি কি কি সাদৃশ্য আৰু বৈসাদৃশ্য বিচাৰি পাইছা?

"যদি এটা উমৈহতীয়া ন্যায় মঞ্চ বা ন্যায়িক দৃষ্টান্ত থাকিলেহেঁতেন, তেন্তে সাংবাদিকসকলৰ অধিকাৰ স্পষ্টকৈ দাঙি ধৰাত সুবিধা হ'লহেঁতেন। দুৰ্ভাগ্যবশতঃ ইকুৱেডৰৰ ন্যায়ালয়, তেনেকুৱা নহয়। ইয়াত বিচাৰকসকলক উচ্চতম ন্যায়ালয়ে পূৰ্বৰ গোচৰসমূহত দিয়া ৰায়ৰ প্ৰতি সন্মান জনাবলৈ বাধ্য কৰোৱা নহয়। আমেৰিকাত প্ৰচলিত নিয়মৰ বিপৰীতে ইকুৱেডৰত (নাইবা দক্ষিণ আমেৰিকাৰ যিকোনো ঠাইত) এজন আপীল বিচাৰকে ন্যায্যতা ব্যাখ্যা কৰি লিখিত সিদ্ধান্ত গ্ৰহণ কৰাৰ দৰকাৰ নহয়। এজন বিচাৰকে আজি এটা গোচৰত যি ধৰণে ৰায় দিব কাইলৈ সেই একোটা গোচৰত কোনো ধৰণৰ কাৰণ আগনবঢ়োৱাকৈ বিপৰীতধৰ্মী ৰায় দিব পাৰে।

৭. তলৰ উক্তিবোৰ পঢ়া আৰু উচ্চতম ন্যায়ালয়ৰ অধিকাৰ ক্ষেত্ৰৰ (মৌলিক, আপীল আৰু পৰামৰ্শমূলক) সৈতে মিলোৱা।

- পাকিস্তান অধিকৃত জম্মু কাশ্মীৰৰ বাসিন্দাসকলৰ নাগৰিকত্ব স্থিতি সম্পৰ্কে এখন আইন প্ৰণয়ন কৰিব পাৰি নেকি চৰকাৰে জানিব বিচাৰিছিল।
- কাবেৰী নদীৰ বিবাদ সমাধান কৰিবলৈ তামিলনাডু চৰকাৰে ন্যায়ালয়ৰ ওচৰ চাপিব বিচাৰে।

DAILY ASSAM



- নদী-বান্ধ অঞ্চলৰ পৰা উচ্ছেদৰ বিৰোধিতা কৰি জনসাধাৰণে জনোৱা আপীল আদালতে নাকচ কৰে।

৮. 'ৰাজহুৱা স্বাৰ্থজড়িত গোচৰে' দুখীয়া জনগণক কিদৰে সহায় কৰিব পাৰে?

৯. ন্যায়িক সক্ৰিয়তাই ন্যায়পালিকা আৰু কাৰ্যপালিকাৰ মাজত বিবাদ সৃষ্টি কৰিব পাৰে বুলি তুমি ভাবা নেকি? ইয়াৰ কাৰণবোৰ কি কি?

১০. মৌলিক অধিকাৰ সুৰক্ষাৰ সৈতে ন্যায়িক সক্ৰিয়তাৰ সম্পৰ্ক কেনেকুৱা? ই মৌলিক অধিকাৰৰ পৰিধি সম্প্ৰসাৰণত সহায় কৰিছে নেকি?